

৬.৭ অধিক জানিবলৈ

১) Ahuja, Ram (2001): Research Methods, Rawat Publications, New Delhi.

২) Chattopadhyay, Krichandas & Sudarshana Sen (2003) : Rudiments Of Social Research, Levant Books, Kolkata.

৩) Kothari, C. R (2004) : Research Methodology Methods and Rechiques, New Age International (P) Ltd, New Delhi.

৬.৮ অগ্রগতিৰ নিৰীক্ষণৰ উত্তৰ

১নং প্রশ্নৰ উত্তৰ ঃ গৱেষকৰ প্রত্যক্ষ প্রয়াস আৰু অভিজ্ঞতা আহৰণেৰে কেৱল গৱেষণাৰ সমস্যা সমাধানৰ বাবে আহৰণৰ তথ্য হৈছে প্রাথমিক তথ্য। ইয়াক পোনপটীয়া, অসংগঠিত অথবা কেঁচা তথ্য বুলিও কোৱা হয়। মুকলি ক্ষেত্র অথবা নিজৰ গৱেষণা ক্ষেত্রৰ ভিতৰত নিজৰ সমস্যা সমাধান কৰিবলৈ গৱেষকে প্রাথমিক তথ্য সংগ্রহ কৰে।

২নং প্রশ্নৰ উত্তৰ ঃ গৌণ তথ্য হৈছে সেইবোৰ তথ্য যিবোৰ আগৰে পৰা বিভিন্ন উৎসত উপলব্ধ। এই তথ্য এটা নির্দিষ্ট গৱেষণাভিত্তিক নহয়।

৩নং প্রশ্নৰ উত্তৰ ঃ গুণগত গৱেষণাত প্রাথমিক তথ্য সংগ্রহৰ সাধাৰণ পদ্ধতিসমূহ হৈছে- ব্যক্তিৰ পর্যৱেক্ষণ, সাক্ষাৎকাৰ, বিষয় অধ্যয়ন, কেন্দ্রীভূত গোট, নৃ-বংশবিজ্ঞান।

৪ নং প্রশ্নৰ উত্তৰ ঃ পৰিমাণগত গৱেষণাত তথ্য সংগ্রহৰ আটাইতকৈ সাধাৰণ পদ্ধতিসমূহ হৈছে- যান্ত্রিক পর্যৱেক্ষণ, প্রশ্নাৱলী, জৰীপ, সম্প্রৰীক্ষা।

৫নং প্রশ্নৰ উত্তৰ ঃ গৌণ তথ্যৰ আভ্যন্তৰীণ বা প্রকাশিত উৎস হৈছে চৰকাৰী ৰেক'র্ড বা সংগ্রহ, সংসদীয় কামকাজ, বজাৰৰ খতিয়ান, বিত্তীয় প্রতিবেদন আদি।

৬নং প্রশ্নৰ উত্তৰ ঃ গৌণ তথ্যৰ বাহ্যিক বা প্রকাশিত উৎস হৈছে চৰকাৰী প্রকাশন যেনে লোকপিয়ল, অর্থনৈতিক জৰীপ আদি, কিতাপ বা জার্নেল, বাতৰি কাকত, আন্তঃৰাষ্ট্রীয় সংস্থাৰ প্রতিবেদন, ব্যক্তিগত প্রকাশন, প্রকাশিত গৱেষণাৰ কাম আদি।

৭নং প্রশ্নৰ উত্তৰ ঃ প্রাথমিক তথ্য আৰু গৌণ তথ্যৰ মাজৰ চাৰিটা পার্থক্য -

ক) প্রাথমিক তথ্য পোনে পোনে হাতত পৰা তথ্য অর্থাৎ গৱেষকে নিজে সংগ্রহ কৰা তথ্য গৌণ তথ্য আওপকীয়াকৈ লাভ কৰা তথ্য অর্থাৎ এই তথ্য আগৰে পৰা উপলব্ধ আৰু আন কোনোবাই সংগ্রহ কৰা।

খ) প্রাথমিক তথ্য সাম্প্রতিক আৰু বর্তমান সময়ৰ তথ্য। গৌণ তথ্য আগৰ তথ্য।

গ) প্রাথমিক তথ্য সংগ্রহ সময়খৰছী। গৌণ তথ্য সংগ্রহ দ্রুত আৰু সহজ।

ঘ) প্রাথমিক নির্দিষ্ট গৱেষণা ভিত্তিক হয়। গৌণ তথ্য এক নির্দিষ্ট গৱেষণাৰ গণ্ডীত বান্ধ খাই নাথাকিব।